অথবা একক — দুয়ো ধৰণেৰে বজোৱা হয়। ভাৰতৰ লাল গুড়ি জয়াৰমন, টি এন কৃষ্ণন, ভি জি যোগ, ডি ভি নাইডু আদি বিখ্যাত বেহেলাবাদক। অসমৰ বেহেলাবাদকৰ ক্ষেত্ৰত ইন্দ্ৰেশ্বৰ শৰ্মা, মিনতি খাউণ্ড, সুনীতা ভূঞা খাউণ্ড আদিৰ নাম উল্লেখযোগ্য।

## অম্লান ঐতিহ্য

### অশোক স্তম্ভ

■ অশোক স্তম্ভ হৈছে সম্ৰাট অশোকে উত্তৰ প্ৰদেশৰ সাৰনাথত নিৰ্মাণ কৰোৱা প্ৰসিদ্ধ শিলাস্তম্ভ আৰু স্তম্ভ শীৰ্ষত থকা যৌথ 'সিংহমূৰ্তি'। স্তম্ভটোৰ শীৰ্ষত পিঠিয়া-পিঠিকৈ চাৰিটা মুখ মেলি থকা সিংহৰ এটা শিলৰ মূৰ্তি আছে। এই শিলৰ মূৰ্তিটোকে ভাৰতৰ ৰাষ্ট্ৰীয় প্ৰতীকৰূপে গ্ৰহণ কৰা হৈছে। অশোক স্তম্ভত চাৰিটা সিংহ পিঠিয়া-পিঠিকৈ আছে যদিও এটা সিংহ পিছফালে থকা বাবে যিকোনো ফালৰে পৰা তিনিটা সিংহহে চকুত পৰে। একেডোখৰ শিলতে কাটি উলিওৱা অশোক স্তম্ভৰ শীৰ্ষত সিংহ চাৰিটা এখন বেদীৰ ওপৰত পিঠিয়া-পিঠিকৈ থিয় হৈ আছে। এপাহ ঘণ্টাকৃতি পদুম ফুলৰ ওপৰত প্ৰতিষ্ঠিত স্তম্ভটোৰ বেদীখনৰ গাত খোদিত কৰা আছে এটা হাতী, এটা দৌৰি থকা ঘোঁৰা, এটা ষাঁড় আৰু এটা সিংহ। চাৰিটা চক্ৰই জন্তুকেইটাক পৰস্পৰৰ লগত পৃথক কৰি ৰাখিছে। এই চক্ৰৰ নাম অশোক চক্ৰ বা ধৰ্মচক্ৰ। ২৪ডাল দণ্ড থকা অশোক চক্ৰই ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাতো ঠাই পাইছে। ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাৰ বগা অংশত নীলাৰে অংকিত এই অশোক চক্ৰৰ ২৪ডাল দণ্ডই বৌদ্ধ দৰ্শনৰ ২৪টা আদৰ্শক নিৰ্দেশ কৰে।



১৯০৫ চনত অশোক স্তম্ভটো সাৰনাথত পুৰাতত্ত্ব বিভাগৰ খননত উদ্ধাৰ হয়। ১৯৫০ চনৰ ২৬ জানুৱাৰিত ভাৰত চৰকাৰে ইয়াক ৰাষ্ট্ৰীয় প্ৰতীকৰূপে গ্ৰহণ কৰে। প্ৰতীকটোত সিংহ তিনিটাৰ উপৰি তলত সোঁমাজত অশোক চক্ৰ, চক্ৰটোৰ সোঁফালে এটা ষাঁড় আৰু বাঁওফালে এটা ঘোঁৰা চকুত পৰে। জন্তু দুটাৰ কাষত আৰু দুটা চক্ৰৰ আধা আধা অংশ দেখা যায়। ৰাষ্ট্ৰীয় প্ৰতীকটোত মূল স্তম্ভৰ তলত থকা পদুমপাহ বাদ দি তাৰ ঠাইত মুণ্ডক উপনিষদৰ পৰা লোৱা 'সত্যমেৱ জয়তে' (সত্যৰ সদায় জয়) কথাফাকি দেৱ-নাগৰী লিপিত লিখা হৈছে।

১১৯৪ চনত কুটুবুদ্দিন আইবাকৰ হাতত ধ্বংস হোৱা স্তম্ভটোৰ ভগ্নাৱশেষ আজিও দেখা যায়। মূল অশোক স্তম্ভটোক সাৰনাথৰ যাদুঘৰত সংৰক্ষণ কৰা হৈছে। ইয়াৰ উচ্চতা দুই মিটাৰৰো বেছি।

ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় প্ৰতীকৰূপে (National Emblem) ব্যৱহাৰ কৰা এই স্তম্ভটো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন কামত ব্যৱহাৰ কৰা হয়।

## ইটো-সিটো বহুতো

■ আহোমৰ শাসন কালত পাইকসকলে মাটি ভোগ কৰাৰ কাৰণে ৰজাৰ ওচৰত গা খাটি দিব লাগিছিল। কিবা কাৰণত গা খাটি দিব নোৱাৰিলে জৰিমনা ভৰিব লাগিছিল। সেই জৰিমনাৰ নাম আছিল কাটল।

■ তিলক চন্দ্ৰ শৰ্মাৰ প্ৰথম পুত্ৰৰ জন্ম হওঁতে, ডিব্ৰুগড়ৰ বাসগৃহলৈ কেঁচুৱা চাবলৈ বন্ধুবৰ ৰোহিণী কুমাৰ বৰুৱা, তেওঁৰ পত্নী ৰত্না বৰুৱা আৰু ৰত্না বৰুৱাৰ মাতৃ প্ৰজ্ঞাসুন্দৰী দেৱী গৈছিল। ৰাতিপুৱা জন্ম হোৱা বাবে কেঁচুৱাটোৰ নাম প্ৰজ্ঞাসুন্দৰী দেৱীয়ে 'অৰুণ' ৰাখে। তেখেতেই নাট্যকাৰ, ঔপন্যাসিক অৰুণ শৰ্মা।

■ অৰুণ শৰ্মা হ'ল সাহিত্য অকাডেমি বঁটা বিজয়ী গল্পকাৰ অপূৰ্ব শৰ্মাৰ জ্যেষ্ঠ ভ্ৰাতৃ। তদুপৰি সংগীত-নাটক একাডেমি আৰু সাহিত্য অকাডেমি বঁটা লাভ কৰা তেখেতেই এতিয়ালৈকে (২০২১) অসমৰ একমাত্ৰ ব্যক্তি।

## বুদ্ধি-যুক্তি

১। এখন হোটেলত আঠটা কোঠা আছে। প্ৰতিটো কোঠাত এজনকৈ আলহী থাকিব পাৰে। (হোটেলখন এমহলীয়া)

এদিন ৰাতিপুৱা তালৈ এজন আলহী আহিল। মেনেজাৰে তেওঁক ক'লে— "আটাইকেইটা কোঠা খালী হৈ আছে। আপুনি কোনটোত থাকে থাকক।" আলহীজনে এটা কোঠা বাছি ল'লে।

অলপ পাছতে দুই নম্বৰ আলহীজন আহিল। তেওঁ এক নম্বৰ আলহীজনৰ কোঠাটোৰ কাষৰ কোঠাটোতে থাকিবলৈ ল'লে। পিছে কিছুসময়ৰ পাছতে তেওঁলোকৰ কাজিয়া লাগিল। গতিকে তেওঁলোকে মেনেজাৰক ক'লে—তেওঁলোক লগালগি কোঠাত নাথাকে। তেতিয়া মেনেজাৰে তেওঁলোকৰ এজনক অইন এটা কোঠাত থাকিবলৈ দিলে।

দিনটোৰ ভিতৰত হোটেলখনলৈ তিনি নম্বৰ, চাৰি নম্বৰ, পাঁচ নম্বৰ, ছয় নম্বৰ, সাত নম্বৰ আৰু আঠ নম্বৰ আলহী আহিল।

ৰাতি দেখা গ'ল—বৰ আচৰিত কথা—তিনি নম্বৰজন চাৰি নম্বৰজনৰ কোঠাৰ ওচৰৰ কোঠাত নাথাকে, পাঁচ নম্বৰজন ছয় নম্বৰজনৰ কোঠাৰ ওচৰৰ কোঠাত নাথাকে আৰু সাত নম্বৰজনো আঠ নম্বৰজনৰ কোঠাৰ ওচৰৰ কোঠাত নাথাকে।

কিছু সময়ৰ পাছত ভাবি-চিন্তি মেনেজাৰে তেওঁলোকৰ কাৰণে এনেকৈ কোঠাবোৰ ঠিক কৰি দিলে যে কাৰো আৰু অসুবিধা নহ'ল। হোটেলখনৰ কোঠাবোৰৰ নক্সাখন এনেকুৱা ঃ




এতিয়া প্ৰশ্ন হ'ল, মেনেজাৰে কোনটো কোঠালিত কাক থাকিবলৈ দিলে? আলহীসকলৰ নাম ১,২,৩,৪,৫,৬,৭, আৰু ৮ বুলি ধৰিব।

২। কি সংখ্যাক ১০-ৰে হৰণ কৰিলে বাকী ৯, ৯-ৰে হৰণ কৰিলে বাকী ৮, ৮-ৰে হৰণ কৰিলে বাকী ৭, ৭-ৰে হৰণ কৰিলে বাকী ৬, ৬-ৰে হৰণ কৰিলে বাকী ৫, ৫-ৰে হৰণ কৰিলে বাকী ৪, ৪-ৰে হৰণ কৰিলে বাকী ৩, ৩-ৰে হৰণ কৰিলে বাকী ২, ২-ৰে হৰণ কৰিলে বাকী ১ থাকে?

### যোৱা সংখ্যাৰ 'বুদ্ধি-যুক্তি'ৰ উত্তৰ

১।



২। ১।

প্ৰথম শাৰী ২৮৯, অৰ্থাৎ, ১৭ x ১৭

দ্বিতীয় শাৰী ৩২৪, অৰ্থাৎ, ১৮ x ১৮

সেই অনুসৰি তৃতীয় শাৰীৰ মান ৩৬১, অৰ্থাৎ, ১৯ x ১৯।

গতিকে খালী ঠাইৰ অংকটো হ'ব ১।

**শান্তনু কৌশিক বৰুৱা,**
গুৱনি পথ, মংগলচণ্ডী থানৰ সমীপত,
বীৰকুছি, নাৰেংগী, গুৱাহাটী-৭৮১০২৬,
ফোন ঃ ৯৪৩৫০৮৯৩৭৫, ৭০৮৬৩৩৪০৯০
ই-মেইল ঃ santanukausik@gmail.com